সুপ্ৰভাত

আজিৰ দিনটোতে—

- ১৯৫২ত কানাডাৰ প্ৰথম টিভি চিবিএফটি মুকলি
- ১৭৬৬ত জলবায়ু বিজ্ঞানী জন ডেল্টনৰ জন্ম
- ১৯৯০ত প্ৰচাৰ ভাৰতী আইনক সংসদত সন্মতি
- ১৯৪৩ত কণ্ঠশিল্পী মহানন্দ মজিন্দাৰ বৰুৱাৰ জন্ম
- ১৯১৭ত ইংৰাজ ক্ৰিকেটাৰ জৰ্জ মানৰ জন্ম
- ১৯৬৩ত স্কটিছ ফুটবলাৰ পেট নেভিনৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

বছৰ ◻ সংখ্যা ১৮৩ ◻ দেওবাৰ ◻ ১৯ ভাদ ১৯৪৮ শক ◻ ১৪৩৩ ভাস্কৰাব্দ ◻ ৬ ছেপ্টেম্বৰ ২০২৬ চন ◻ VOL-16 ◻ NO-183 ◻ SUNDAY 6 SEPTEMBER 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE

Dibrugarh Assam

Robo AI Courses Admissi DCA TALLY AUTO 97060-79939 / 97060

কানৈ কলেজত ৰাজনীতি বিজ্ঞান বিভাগৰ নৱাগত আদৰণী সভা

বিফলতাক সফলতাৰ খোজ হিচাপে গ্ৰহণ কৰাসকলেই জীৱনত সফল হ'ব পাৰে

বিশেষ বাৰ্তা, ডিব্ৰুগড, ৫ ছেপ্টেম্বৰ ঃ বিফলতাক সফলতাৰ খোজ হিচাপে গ্ৰহণ কৰাসকলেই জীৱনত সফল হ'ব পাৰে। বিফলতাক সফলতাৰ দিশে আগবঢ়াৰ একোটা খোজ হিচাপে গ্ৰহণ কৰিব পৰা লোকেহে জীৱনত প্ৰকৃত সফলতা অৰ্জন কৰিব পাৰে। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত বিভাগটোৰ নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি আয়োজন কৰা শিক্ষক দিৱসত আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰী সমীৰ কোঁৱৰ, নিশিতা গগৈ, চয়নিকা বুঢ়াগোহাঁই আৰু কুনাল সিংহই আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষ ড° শইকীয়াই কয়— জীৱনত কেতিয়াও বিফলতাৰ সন্মুখীন নোহোৱা এজন ব্যক্তিয়ে আচলতে নতুন কিবা এটা কৰাৰ বাবে কেতিয়াও সাহস কৰা নাই বুলি বুজিব লাগিব। সেয়ে বিফলতাত হতাশ হৈ পিছ হুঁহকি যোৱাৰ পৰিৱৰ্তে, বিফলতাৰ পৰা শিক্ষা লৈ নতুন উদ্যমেৰে আগলৈ আগুৱাই যাব লাগে। তেওঁ কয়— জীৱনৰ প্ৰকৃত সফলতা কেৱল চাকৰি, ধন-সম্পত্তি বা ব্যক্তিগত প্ৰতিষ্ঠাৰ মাজতে সীমাবদ্ধ নহয়, আনৰ জীৱনলৈ সহায়, সহমৰ্মিতা আৰু ইতিবাচক পৰিৱৰ্তন কঢ়িয়াই আনিব পৰাতহে সফলতাৰ প্ৰকৃত অৰ্থ নিহিত হৈ থাকে। জীৱনত আমি কিমান লাভ কৰিলোঁ, সেয়া আটাইতকৈ গুৰুত্বপূৰ্ণ কথা নহয়, বৰং আমি যি লাভ কৰিলোঁ, তাৰ কিমানখিনি আনৰ কল্যাণৰ ১০ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

□ ৬ ছেপ্টেম্বৰ ২০২৬ চন □ VOL-16 □ NO-183 □ SUNDAY 6 SEPTEMBER 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

কানৈ কলেজত ৰাজনীতি বিজ্ঞান

বাবে ব্যৱহাৰ কৰিলোঁ, সেয়াহে অধিক তাৎপৰ্যপূৰ্ণ। ড° শইকীয়াই কয়— প্ৰকৃত সফলতা নিজৰ উন্নতিতেই সীমাবদ্ধ নাথাকে, নিজৰ সামৰ্থ্য আৰু সক্ষমতাৰে সমাজৰ পিছপৰি থকা, বঞ্চিত আৰু অসহায় লোকসকলৰ দুখ-কষ্ট অনুভৱ কৰি তেওঁলোকৰ বাবে কিবা এটা কৰিব পৰাতহে জীৱনৰ সাৰ্থকতা আৰু প্ৰকৃত উপলব্ধি নিহিত হৈ থাকে। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ড° মৃদুল শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা অনুষ্ঠানটোত থাকিবলৈ পাই যথেষ্ট উৎসাহিত হৈছোঁ বুলি মত প্ৰকাশ কৰে। ভাষণ প্ৰসংগত ড° শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জীৱনৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰি তুলিবলৈ আহ্বান জনায়। উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে ছাত্ৰ-ছাত্ৰীসকলে তেওঁক নিমন্ত্ৰণ কৰিবলৈ যোৱা অভিনৱ পন্থাটোক শলাগ লৈ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ এক প্ৰকৃত প্ৰতিফলন ঘটিছে বুলি মন্তব্য কৰে। পৌৰাণিক ভাৰতৰ জ্ঞানকোষৰ ব্যৱহাৰ আজিৰ ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰাটোক তেওঁ শলাগ লয়। কানৈ মহাবিদ্যালয়ৰ দাতা পৰিয়ালৰ সদস্য তথা পৰিচালনা সমিতিৰ অন্যতম সদস্য জ্যোতিপ্ৰসাদ কানৈয়ে উক্ত অনুষ্ঠানত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক কানৈ মহাবিদ্যালয়ক নিৰ্বাচন কৰি নিজৰ শিক্ষা জীৱন আৰম্ভ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে কানৈ মহাবিদ্যালয়ে অনাগত দিনসমূহত সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাসমূহৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিবলৈ চেষ্টা কৰিব লাগে, য'ত ৰাজনীতি বিজ্ঞান বিভাগে এক ধনাত্মক ভূমিকা পালন কৰিব পাৰিব বুলি মত প্ৰকাশ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° নিৰ্মালি পেগুৱে জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলে বিভাগত নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে অনুষ্ঠিত কৰা এনে এক সুন্দৰ অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে জ্যেষ্ঠসকলক শুভেচ্ছা জ্ঞাপন কৰে লগতে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক অনাগত দিনসমূহত কানৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ একোজন সদস্য হিচাপে সকলোৰে লগতে আগবাঢ়ি যাবলৈ আহ্বান জনায়। বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° লামখ'লাল ডুন্দেলে ইমান সুন্দৰকৈ এনে এটা অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ভূয়সী প্ৰশংসা কৰে। নৱাগত আদৰণী সভা আৰু শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে নিমন্ত্ৰিত অতিথিসকলক ফুলাম গামোচা, একোখনকৈ সম্বৰ্ধনা-পত্ৰ প্ৰদান কৰে। কালি অনুষ্ঠিত বিভাগটোৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বিপ্লৱ বুঢ়াগোহাঁই আৰু অংকিতা সোণোৱালক শ্ৰেষ্ঠ নৱাগতাৰ খিতাপ প্ৰদান কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, ৰাজনীতি বিজ্ঞানৰ সহযোগী অধ্যাপক তথা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কানৈ মহাবিদ্যালয়ৰ সমন্বয়ক ড° বিৰাজ দত্ত, অধ্যাপক শিৱনাথ চুতীয়া, অধ্যাপিকা মৃদুস্মিতা নেওগকে ধৰি চাৰি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে পঞ্চম যাণ্মাসিকৰ ছাত্ৰ চিন্ময় হাজৰিকাই।

নবীন বৰদলৈ মহাবিদ্যালয়ত